# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 02-09-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। কেন্দ্ৰীয় কেবিনেটে কৃষকসকলৰ জীৱন উন্নত কৰা তথা তেওঁলোকৰ আয় বৃদ্ধি কৰাৰ বাবে ১৩ হাজাৰ ৯৬৬ কোটি টকাৰ ৭ খন আঁচনিত অনুমোদন জনাইছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু ৩ দিনীয়া মহাৰাষ্ট্ৰ ভ্ৰমণসূচীৰে আজি কোলহাপুৰত উপস্থিত হয়।

৩। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ দলৰ মুখ্য কাৰ্যালয়ত বিজেপিৰ সদস্য ভৰ্তি অভিযান মুকলি কৰে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে কাইলৈ ব্ৰুনেই আৰু ছিংগাপুৰলৈ ৰাওনা হ'ব।

***আৰু***

৫। পেৰিছ পেৰালিম্পিকৰ আজি পঞ্চম দিনা ভাৰতৰ পেৰা শ্বাটলাৰ নীতিশ কুমাৰে সোণৰ পদক জয় কৰাৰ বিপৰীতে য়োগেশ কাথুনিয়াই পুৰুষৰ ডিচকাচ থ্ৰ'ত ৰূপৰ পদক অৰ্জন কৰে।

ooo

কেন্দ্ৰীয় কেবিনেটে কৃষকসকলৰ জীৱন উন্নত কৰা তথা তেওঁলোকৰ আয় বৃদ্ধি কৰাৰ বাবে ১৩ হাজাৰ ৯৬৬ কোটি টকাৰ ৭ খন আঁচনিত অনুমোদন জনাইছে। কেবিনেটে আজি ২ হেজাৰ ৮১৭ কোটি টকা ব্যয় সাপেক্ষ ডিজিটেল কৃষি অভিযানত অনুমোদন জনায়। নতুন দিল্লীত বিয়লি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, কৃষকসকলৰ জীৱন উন্নত কৰাৰ উদ্দেশ্যে কেবিনেট বৈঠকত আজি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কৃষিৰ বাবে ডিজিটেল ৰাজহুৱা আন্তগাঁঠনিৰ আৰ্হিতে ডিজিটেল কৃষি অভিযান বিকশাই তোলা হৈছে।

ইপিনে, কেবিনেটে আজি ৩ হাজাৰ ৯৭৯ কোটি টকা ব্যয়সাপেক্ষ খাদ্য আৰু পৰিপুষ্টি সুৰক্ষাৰ বাবে শস্য বিজ্ঞানতো অনুমোদন জনায়। চৰকাৰে লগতে ২ হাজাৰ ২৯১ কোটি টকা ব্যয় সাপেক্ষে কৃষিশিক্ষা, ব্যৱস্থাপনা তথা সমাজ বিজ্ঞানক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি এহেজাৰ ২০২ কোটি টকা ব্যয় সাপেক্ষে কৃষিবিজ্ঞান কেন্দ্ৰ উন্নত কৰি তোলা আৰু এহেজাৰ ১১৫ কোটি টকা ব্যয় সাপেক্ষে প্ৰাকৃতিক সম্পদ ব্যৱস্থাপনা খণ্ড শক্তিশালী কৰি তোলাৰ সিদ্ধান্তও কেন্দ্ৰীয় কেবিনেটে গ্ৰহণ কৰে।

ইপিনে, গুজৰাটৰ সানন্দত অৰ্ধপৰিবাহী স্থাপনৰ বাবে কেইনেচ চেমিকন প্ৰাইভেট লিমিটেডৰ প্ৰস্তাৱত আজি কেবিনেটে অনুমোদন জনায়। অৰ্ধপৰিবাহী পৰিস্থিতি তন্ত্ৰৰ উন্নয়নৰ লক্ষ্যৰে এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৩ হাজাৰ ৩০০ কোটি টকা ব্যয়সাপেক্ষে এই প্ৰকল্পটো নিৰ্মাণ কৰা হ'ব।

ooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু ৩ দিনীয়া মহাৰাষ্ট্ৰ ভ্ৰমণসূচীৰে আজি কোলহাপুৰত উপস্থিত হয়। মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণে তেওঁক স্বাগতম জনায়। শ্ৰীমতী মুৰ্মুয়ে ইয়াৰ পাছত কৰবীৰ নিৱাসিনী শ্ৰীমহালক্ষ্মী মন্দিৰ দৰ্শন কৰি পুজা অৰ্চনা কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে বিয়লি কোলহাপুৰৰ ৱাৰনানগৰত শ্ৰীৱাৰণা মহিলা সমবায় গোটৰ সোণালী জয়ন্তীৰ অনুষ্ঠানত অংশ গ্ৰহণ কৰে। কাইলৈ তেওঁ পুণেৰ চিম্বায়ছিছ আন্তৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰ ২১ সংখ্যক সমাৱৰ্তনত অংশ লব। তেওঁ লগতে মুম্বাইৰ মহাৰাষ্ট্ৰ  বিধান পৰিষদৰ শতবৰ্ষ উপলক্ষে আয়োজন কৰা অনুষ্ঠানতো অংশগ্ৰহণ কৰিব। ভ্ৰমণৰ শেষৰ দিনা শ্ৰীমতী মুৰ্মুৱে লাটুৰ উদগীৰত বুদ্ধ বিহাৰ উন্মোচন কৰাৰ লগতে চৰকাৰৰ কেতবোৰ আঁচনিৰ হিতাধিকাৰীৰ সৈতে বাৰ্তালাপ কৰিব।

০০০

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ দলৰ মুখ্য কাৰ্যালয়ত বিজেপিৰ সদস্য ভৰ্তি অভিযান মুকলি  কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি বিজেপি ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কয় যে, বিজেপিয়ে হৈছে একমাত্ৰ দল, যিয়ে ভাৰতীয় সংবিধানত উল্লেখ কৰা মূল্যবোধ অনুসৰি কাম কৰে। তেওঁ কয় যে, দেশৰ প্ৰধান সেৱক হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী হৈছে সকলো দলীয় কাৰ্যকৰ্তাৰে অনুপ্ৰেৰণাৰ উৎস। তেওঁ লগতে কয় যে, যেতিয়াই দলে তেওঁক বিচাৰে তেতিয়াই তেঁও নিজৰ ব্যস্ত সূচীৰ পৰা সময় উলিয়াই দলৰ হৈ থিয় দিয়ে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, বিজেপি কেৱল বিশ্বৰ সৰ্ববৃহৎ ৰাজনৈতিক দলেই নহয়, বৰং আটাইতকৈ বেছি গণতান্ত্ৰিকভাৱে কাম কৰা দল।  আন কোনো দলে বিজেপিৰ দৰে স্বচ্ছতাৰে সদস্যভৰ্তি অভিযান আৰম্ভ কৰা নাই বুলিও গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে, বিজেপিৰ বাবে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যপ্ৰাপ্তি সম্ভৱ হৈ উঠিব। আনহাতে, দলৰ জ্যেষ্ঠ নেতা, তথা কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে, দলৰ কাৰ্যকৰ্তাসকলে  নিজৰ প্ৰতিশ্ৰুতিসমূহক কাৰ্যলৈ ৰূপান্তৰিত কৰাৰ দৰকাৰ।

উল্লেখযোগ্য যে, বিজেপিয়ে নতুন সদস্য ভৰ্তি আৰু দলটোৰ বৰ্তমানৰ সদস্যসকলক পুনৰ নবীকৰণ কৰাৰ লক্ষ্যৰে এই অভিযান ৰূপায়ণ কৰিছে।  আজিৰ পৰা অহা ১০ নৱেম্বৰলৈকে বিভিন্ন পৰ্যায়ত এই অভিযান চলোৱা হ'ব। সদস্য ভৰ্তি অভিযানৰ প্ৰথম পৰ্যায় অহা ২৫ ছেপ্তেম্বৰত সামৰণি পৰিব। ভাৰতীয় জনতা পাৰ্টিয়ে সমগ্ৰ দেশত কমেও ১০ কোটি নতুন সদস্য ভৰ্তিৰ অভিযানৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। জনসাধাৰণে মিছড কল অথবা দলৰ ৱেবছাইট আৰু অন্যান্য ডিজিটেল মঞ্চৰ জৰিয়তে নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব।

অসমৰ বিভিন্ন প্ৰান্ততো আজি বিজেপিয়ে সদস্যতা অভিযান কাৰ্যসূচী ৰূপায়ণ কৰে। তামুলপুৰ জিলাৰ নাগ্ৰীজুলি আৰু দৰঙাজুলি পৰিষদীয় সমষ্টিত আজি দলটোৰে যোগদান সমাৰোহৰো আয়োজন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দলৰ কেইবাগৰাকীও নেতা-কৰ্মীৰ উপস্থিতিত নাগ্ৰীজুলি পৰিষদীয় সমষ্টিত ৮৭৫ গৰাকী লোকে দলত যোগ দিয়ে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে কাইলৈ ব্ৰুনেই আৰু ছিংগাপুৰলৈ ৰাওনা হ'ব। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত পূবৰ দায়িত্বত থকা সচিব জয়দ্বীপ মজুমদাৰে ভাৰতীয় প্ৰধানমন্ত্ৰীৰ এয়াই প্ৰথম দ্বিপাক্ষিক ব্ৰুনেই যাত্ৰা হ'ব বুলি প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰত আৰু ব্ৰুনেইৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ সংখ্যক বাৰ্ষিকীৰ সময়ত প্ৰধানমন্ত্ৰী মোদী দেশখনলৈ যাব। শ্ৰী মজুমদাৰে কয় যে, ভাৰত এক্ট-ইষ্ট নীতি

আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ ক্ষেত্ৰত ব্ৰুনেই হৈছে গুৰুত্বপূৰ্ণ অংশীদাৰ। শ্ৰী মজুমদাৰে কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে কাইলৈ আৰু পৰহিলৈ দেশখন ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত ব্ৰুনেইৰ সৈতে নতুন সহযোগিতা তথা সম্পৰ্কৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে দ্বিপাক্ষিক বাৰ্তালাপত মিলিত হ'ব। ভাৰতে ব্ৰুনেইৰ সৈতে এটা বন্ধুত্বপূৰ্ণ আৰু সৌহাদ্যপূৰ্ণ সম্পৰ্ক বৰ্তাই ৰাখিছে। দেশখনৰ সৈতে প্ৰতিৰক্ষা, বাণিজ্য, বিনিয়োগ, শক্তি, মহাকাশ প্ৰযুক্তি, স্বাস্থ্য সামৰ্থ বৃদ্ধি, সংস্কৃতি আৰু জনসাধাৰণৰ সৈতে জনসাধাৰণৰ সম্পৰ্ক বৰ্তাই ৰাখিছে। ব্ৰুনেইত ১৪ হাজাৰৰো অধিক ভাৰতীয় সম্প্ৰদায়ৰ লোক আছে বুলি উল্লেখ কৰি সচিবগৰাকীয়ে কয় যে চিকিৎসক, শিক্ষক আদি বৃত্তিৰে ভাৰতীয়সকলে ব্ৰুনেইৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ দিশত অৱদান আগবঢ়াই আহিছে।

ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদীয়ে ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী ল'ৰেন্স ৱঙৰ আমন্ত্ৰণমৰ্মে ৪ আৰু ৫ ছেপ্তেম্বৰত ছিংগাপুৰ ভ্ৰমণ কৰিব। ভাৰত আৰু ছিংগাপুৰৰ মাজৰ কৌশলগত সহযোগিতা, আঞ্চলিক আৰু গোলকীয় পাৰস্পৰিক বিষয়সমূহৰ সন্দৰ্ভত নেতা দুয়োগৰাকীয়ে মত বিনিময় কৰিব। এই ভ্ৰমণে ভাৰত আৰু ছিংগাপুৰৰ সম্পৰ্কত নতুন মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰা হৈছে। আছিয়ান দেশসমূহৰ ভিতৰত ছিংগাপুৰ হৈছে ভাৰতৰ বৃহৎ বাণিজ্যিক অংশীদাৰ আৰু প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ উৎস।

০০০

জম্মু-কাশ্মীৰত পাঞ্চি হেলিপেডৰ সমীপত মাতা বৈষ্ণোদেৱী মন্দিৰলৈ যোৱা পথৰ ভূমিস্খলন হোৱাৰ ফলত দুগৰাকী মহিলা তীৰ্থযাত্ৰী নিহত হোৱাৰ লগতে এটি কন্যা শিশু গুৰুতৰভাৱে আহত হয়। ভূমিস্খলনৰ ফলত পথছোৱাত এটা বৃহৎ শিল বাগৰি পৰাৰ ফলত এগৰাকী তীৰ্থযাত্ৰী ঘটনাস্থলীতে নিহত হয়। আনহাতে, চিকিৎসালয়ৈ লৈ যোৱা অৱস্থাতে আনগৰাকী তীৰ্থযাত্ৰীৰ মৃত্যু হয়। আহত শিশুটিৰ চিকিৎসা অব্যাহত আছে।

০০০

পেৰিছ পেৰালিম্পিকৰ আজি পঞ্চম দিনা ভাৰতৰ পেৰা শ্বাটলাৰ নীতিশ কুমাৰে পুৰুষৰ ছিংগলছৰ এছ্ এল থ্ৰি শাখাৰ ফাইনেলত গ্ৰেট ব্ৰিটেইনৰ ডেনিয়েল বেথেলক পৰাস্ত কৰি সোণৰ পদক জয় কৰে। নীতিশ কুমাৰে বেথেলক ২১-১৪, ১৮-২১, ২৩-২১ ছেটত পৰাস্ত কৰে। ইয়াৰ লগে লগে ভাৰতৰ পদক তালিকাত মুঠ ৯ টা পদক সংযোজন হয়।

ইয়াৰ পূৰ্বে য়োগেশ কাথুনিয়াই পুৰুষৰ ডিচকাচ থ্ৰ' এফ -56 ফাইনেলত ৰূপৰ পদক অৰ্জন কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই জয়ৰ বাবে য়োগেশ কাথুনিয়াক শুভেচ্ছা জনায়। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাষ্ট্ৰপতিয়ে কয় যে, খেলুৱৈগৰাকীয়ে একেৰাহে দুখন পেৰালিম্পিকত পদক জয় কৰি নিজৰ দৃঢ়তা আৰু একাগ্ৰতা প্ৰমাণ কৰিছে। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়েও খেলুৱৈগৰাকীক শুভেচ্ছা জনায়।

আনহাতে, কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই ডিচকাচ থ্ৰ'ত ৰূপৰ পদক লাভ কৰাৰ বাবে য়োগেশ কাথুনিয়াক সামাজিক মাধ্যমৰ জৰিয়তে শুভেচ্ছা জনাই কয় যে এথলীটগৰাকীয়ে এই পদক জয় কৰি নিজৰ সংকল্প আৰু দৃঢ়তাক প্ৰতিফলিত কৰিলে। তেওঁ জনসাধাৰণক দেশক পুনৰবাৰ গৌৰৱান্বিত কৰা ছেম্পিয়নগৰাকীৰ বিজয়ক উদ্‌যাপন কৰাৰ বাবে আহ্বান জনায়।

আনহাতে, পেৰা শ্বাটলাৰ থুলাচিমাথি মুৰুগেছানে আন এটা পদক নিশ্চিত কৰিছে। মুৰুগেছানে মহিলাৰ একক শাখাৰ SU-5 বেডমিণ্টন প্ৰতিযোগিতাত মনিষা ৰামাদাসক যোৱা নিশা ২৩-২১, ২১-১৭ ছেটত পৰাজিত

কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ফাইনেলত শ্বাটলাৰগৰাকী চীনৰ য়াং কিউজিয়াৰ মুখামুখি হ'ব। ইপিনে, ছেমি ফাইনেলত পৰাস্ত হোৱাৰ পাছত মনিষা ৰামাদাসে ব্ৰঞ্জৰ পদকৰ বাবে ডেনমাৰ্কৰ কেথ্রিন ৰ'জেনগ্ৰেনৰ বিৰুদ্ধে খেলিব। ভাৰতৰ বিশ্বৰ শীৰ্ষ স্থানৰ পেৰা আৰ্চাৰ ৰাকেশ কুমাৰে সামান্য ব্যৱধানৰ বাবে পুৰুষৰ ব্যক্তিগত কম্পাউণ্ড শাখাত ব্ৰঞ্জৰ পদক লাভ কৰাৰ পৰা বঞ্চিত হয়। খেলুৱৈগৰাকীয়ে সুন্দৰ আৰম্ভণি কৰিছিল যদিও চীনৰ প্ৰতিদ্বন্দ্বী হী জিৱাওৰ হাতত ১৪৭-১৪৬ পইণ্টৰ ব্যৱধানত পৰাস্ত হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পেৰিছ্ পেৰালিম্পিকত সোণৰ পদক জয় কৰা অৱনি লেখাৰাৰ সৈতে বাৰ্তালাপ কৰি খেলুৱৈগৰাকীক শুভেচ্ছা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে খেলুৱৈগৰাকীৰ প্ৰদৰ্শনৰ প্ৰশংসা কৰাৰ লগতে ভৱিষ্যতৰ বাবে শুভেচ্ছা জনায়।

প্ৰতিযোগিতাত ভাৰতে এই পৰ্যন্ত দুটা সোণ, ৩টা ৰূপ আৰু ৪টা ব্ৰঞ্জৰ পদকসহ মুঠ ৯ টা পদক লাভ কৰিছে।

০০০

সমাপ্ত